**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কাৰ্বি আংলঙলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ লোৱাৰ উদ্দেশ্যে জিলাখনৰ কেইবাটাও অঞ্চল ভ্ৰমণ কৰিব। তেওঁ ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মাঞ্জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ ল'ব। উল্লেখযোগ্য যে, ৰাজ্যপালগৰাকীয়ে কালি কাৰ্বি আংলঙত উপস্থিত হৈ জিলাখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে মত বিনিময় কৰে। পদ্মশ্ৰী সন্মানপ্ৰাপক, আগশাৰীৰ খেলুৱৈ, সমাজকৰ্মী আৰু স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে হোৱা মত বিনিময়ত ৰাজ্যপালগৰাকীয়ে কয়, যে প্ৰকৃত উন্নয়নে আন্তঃগাঁথনিগত প্ৰগতিকে নহয়, বৰং ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰকো সূচায়। তেওঁ কয়, যে উন্নয়নৰ সৈতে পৰম্পৰা, ভাষা আৰু সংস্কৃতিক বৰ্তাই ৰাখিলেহে প্ৰকৃত আৰু অৰ্থবহ প্ৰগতি সম্ভৱপৰ হৈ উঠে। পাছত ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং, কাৰ্যবাহী সদস্য আৰু পৰিষদৰ মুখ্য অংশীদাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে তেওঁলোকক অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অনুষ্ঠিত গুৱাহাটী শিশু মহোৎসৱৰ আজি দ্বিতীয় দিনা ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। পুৱাৰ ভাগত যোগাসনৰ প্ৰশিক্ষণেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত আজিৰেপৰা বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাক সমল ব্যক্তিৰূপে লৈ শিশুসকলৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে কেইবাটাও অনুষ্ঠান ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ১১ দিনীয়াকৈ আয়োজন কৰা এই মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত শিশু গ্ৰন্থ মেলাত বিভিন্ন প্ৰকাশন গোষ্ঠীৰ শিশু উপযোগী গ্ৰন্থ ৰেহাই মূল্যত বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিদিনে বিয়লি চাৰি বজাত শিশু চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। পুৱা ১০ বজাৰ পৰা নিশা আঠ বজালৈ মুকলি থাকিবলগীয়া এই মহোৎসৱৰ থলীত গাড়ী ৰখোৱাৰ বাবেও উদ্যোক্তাসকলে ব্যৱস্থা গ্ৰহণ কৰিছে।

কালি মহোৎসৱৰ প্ৰথমদিনা পশ্চিমবংগৰ বিশিষ্ট লেখক-সাহিত্যিক তথা শিশু আলোচনী **আনন্দমেলা**ৰ সম্পাদক সিজাৰ বাগ্‌ছি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। ভাষণত শ্ৰী বাগ্‌ছিয়ে কয়, যে শিশু মহোৎসৱ যথাৰ্থতে এটি অভিনৱ কাৰ্যসূচী। গ্ৰন্থমেলা তথা শিশু উপযোগী বৰ্ণিল কাৰ্যসূচীৰ সমাহাৰেৰে শিশুৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে আয়োজন কৰা এই অনুষ্ঠান ভৱিষ্যতৰ বাবে সুফলদায়ক হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। অনুষ্ঠানত বিশিষ্ট শিশু সাহিত্যিক ড° শান্তনু তামুলীয়ে কয়, যে শিশুসকল একোটা ফুলৰ কলিৰ দৰে আৰু তেওঁলোকক নিজৰ নিজৰ ৰং-ৰূপ আৰু বুদ্ধিমত্তাৰে জাতিস্কাৰ কৰাটো সমাজৰ নৈতিক দায়িত্ব। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই মহোৎসৱৰ উদ্দেশ্য ব্যাখ্যা কৰি কয়, যে অসম প্ৰকাশন পৰিষদে শিশুসকলৰ সামগ্ৰিক বিকাশৰ বাট মুকলি কৰাৰ উদ্দেশ্যে প্ৰথমবাৰলৈ গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰিছে। মহোৎসৱত নাটক, নৃত্য, মুকাভিনয়, সুকুমাৰ কলাৰ কৰ্মশালাত কালি প্ৰথমদিনাই শতাধিক শিশুৱে অংশগ্ৰহণ কৰে। বিশিষ্ট মুকাভিনয় শিল্পী ময়নুল হক, ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতনামা শিল্পী কমল নাথ, নাট্যকাৰ পৰিচালক ৰবিজিতা গগৈ, নাট্যশিল্পী ৰাজীৱ কুমাৰ সাউদ, সুকুমাৰ কলাৰ বিশিষ্ট শিল্পী দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাৰ লগতে নৃত্য শিল্পী প্ৰিয়ংকা কাশ্যপে কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি শিশুসকলক নিৰ্দিষ্ট বিষয়ৰ শিক্ষাদান কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

গুৰু পূৰ্ণিমাৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ মানকটা লক্ষ্মীনগৰত অৱস্থিত আউনীআটি বিদ্যা নিকেতনত কালি এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটি বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° পীতাম্বৰ দেৱগোস্বামীয়ে গুৰু পূৰ্ণিমাৰ বিশেষত্ব সন্দৰ্ভত ব্যাখ্যা কৰে। শিক্ষানুষ্ঠানখনৰ এখন পত্ৰিকাও আনুষ্ঠানিকভাৱে উন্মোচন কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল কাম-কাজ অব্যাহত ৰাখিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত অঞ্চলটোৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গুৰু পূৰ্ণিমা উপলক্ষে শিক্ষানুষ্ঠানখনত এখন ভাওনাও পৰিৱেশন কৰা হয় বুলি আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

দৰং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু এনকেফেলাইটিছ লক্ষণযুক্ত ৰোগত বৰ্তমানলৈ মুঠ ৫ জন লোকৰ মৃত্যু হৈছে। ইয়াৰে জাপানীজ এনকেফেলাইটিছত দুগৰাকী আৰু এ ই এছ ৰোগত তিনিগৰাকী লোকৰ মৃত্যু ঘটিছে। জিলাখনত বিগত এমাহত দুয়োবিধ বাহকজনিত ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। এই পৰ্যন্ত আন ১৬ জন লোক জাপানীজ এনকেফেলাইটিছ আৰু ২৭ জন এ ই এছ ৰোগত চিকিৎসাধীন হৈ আছে। জিলা স্বাস্থ্য বিভাগে বাহকজনিত এই দুয়োবিধ ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে জনসাধাৰণৰ মাজত সজাগতা সভাৰ আয়োজন কৰিছে।

০০০০০০

গোলাঘাট জিলাৰ নুমলীগড়ৰ বিষ্ণুপুৰ তিনিআলিত নিশা এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। নুমলীগড় শোধনাগাৰত কৰ্মৰত আৰজু তকবি আৰু সোণ তকবি নামৰ দুজন লোক মটৰ চাইকেলেৰে  ঘৰলৈ গৈ থকা অৱস্থাতে পিছফালৰ পৰা এখন বাহনে খুন্দা মৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় ৰাইজে আঘাতপ্ৰাপ্ত দুয়োজন লোককে ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যায় যদিও কিছু সময়ৰ পাছতে আৰজু তকবি নামৰ লোকজন মৃত্যুমুখত পৰে।

০০০০০০০

মঙলদৈ থানাৰ অন্তৰ্গত ৰাজঘাট দলঙৰ সমীপত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন গৃহৰক্ষী জোৱান নিহত হয়। নিহত জোৱানজন মঙলদৈৰ চপাইত থকা এটা বেংক এ টি এম বুথৰ নিশাৰ প্ৰহৰীৰ হৰেণ ডেকা বুলি চিনাক্ত কৰা হৈছে। উল্লেখযোগ্য যে, গৃহৰক্ষী জোৱানজন ঘৰৰ পৰা কৰ্মক্ষেত্ৰলৈ আহি থকা সময়তে দুৰ্ঘটনাটো সংঘটিত হয় বুলি আমাৰ মঙলদৈৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

**সমাপ্ত**